**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতত নিৰ্মিত সামগ্ৰীৰ ওপৰত আমেৰিকাৰ শুল্ক হ্ৰাস হৈ বৰ্তমান ১৮ শতাংশ হ'ব বুলি ঘোষণা কৰিছে।

২। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ড০ এছ্ জয়শংকৰকে ধৰি কেইবাগৰাকী মন্ত্ৰীয়ে ভাৰত-আমেৰিকা বাণিজ্যিক চুক্তিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক অভিনন্দন জ্ঞাপন কৰিছে।

৩। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে নতুন দিল্লীত মুখ্য নিৰ্বাচন আয়ুক্তক সাক্ষাৎ কৰাৰ কাৰ্যক বিজেপিয়ে সমালোচনা কৰিছে।

৪। পাকিস্তানৰ নিৰাপত্তাবাহিনীয়ে এখন যাত্ৰাবাহী বাহনত কৰা গুলীচালনতা ১০ জন সাধাৰণৰ নাগৰিকৰ মৃত্যু হৈছে। *আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট জায়েণ্টছ্ দেলহী কেপিটেলছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতত নিৰ্মিত সামগ্ৰীৰ ওপৰত আমেৰিকান শুল্ক হ্ৰাস পাই ১৮ শতাংশ হ'ব বুলি ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে হোৱা আলোচনাৰ অন্তত সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাযোগে এইকথা ঘোষণা কৰে। দুয়োগৰাকী নেতাৰ মাজৰ আলোচনা অতি ফলপ্ৰসূ আছিল বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বিশ্বৰ দুটা বৃহৎ অৰ্থনীতি আৰু সৰ্ববৃহৎ গণতন্ত্ৰই যেতিয়া একেলগে কাম কৰে তেতিয়া জনসাধাৰণ উপকৃত হোৱাৰ লগতে তেওঁলোকৰ বাবে অপাৰ সুযোগৰ সৃষ্টি হয়। এই ঘোষণাৰ বাবে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ৰাষ্ট্ৰপতি ট্ৰাম্পক ভাৰতবৰ্ষৰ ১৪০ কোটি জনতাৰ হৈ কৃতজ্ঞতা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে বিশ্বৰ শান্তি, সমৃদ্ধি আৰু স্থিৰতাৰ বাবে ট্ৰাম্পৰ নেতৃত্বৰ প্ৰশংসা কৰে। ভাৰতে তেওঁৰ শান্তিৰ বাবে গ্ৰহণ কৰা সকলো প্ৰচেষ্টা সম্পূৰ্ণ সমৰ্থন কৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে উভয় ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক সহযোগিতাক আন এক শিখৰলৈ লৈ যোৱাৰ বাবে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰাৰ বাবে আগ্ৰহী বুলিও মত প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ড০ এছ্ জয়শংকৰ, অশ্বিনী বৈষ্ণৱ, পীয়ুষ গোৱেল আৰু কিৰেণ ৰিজিজুৱে ভাৰত-আমেৰিকা বাণিজ্যিক চুক্তিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ লগতে দুয়োখন দেশৰ জনসাধাৰণক অভিনন্দন জ্ঞাপন কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে এই চুক্তিয়ে দুয়োটা অৰ্থনীতিতে উদ্ভাৱনক প্ৰসাৰিত কৰাৰ লগতে অধিক নিয়োগ সৃষ্টি আৰু বিকাশ ত্বৰান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে এই কাৰ্যই মেক ইন ইণ্ডিয়া অভিযানক অধিক শক্তিশালী

কৰি তুলিব আৰু বিশ্বাসযোগ্য প্ৰযুক্তি চুক্তিসমূহক উৎসাহিত কৰিব। মন্ত্ৰীগৰাকীয়ে ভাৰত-আমেৰিকা অৰ্থনৈতিক খণ্ডত ই বিশাল সুযোগ আনি দিব বুলিও বিশ্বাস প্ৰকাশ কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহে ইয়াক ভাৰত-আমেৰিকাৰ সম্বন্ধৰ ক্ষেত্ৰত এটা বিশেষ দিন বুলি অভিহিত কৰে। তেওঁ কয়, যে পাৰস্পৰিক বিকাশ আৰু শক্তিশালী বাণিজ্যিক চুক্তিৰ বাবে শুল্ক হ্ৰাসৰ এই বাণিজ্যিক বুজাপৰা বিশেষভাৱে ফলপ্ৰসূ হৈ উঠিব। ইয়াৰ জৰিয়তে ভাৰত-আমেৰিকাৰ কৌশলগত সহযোগিতা অংশীদাৰিত্ব অধিক উন্নত হোৱাৰ লগতে দুয়োখন ৰাষ্ট্ৰৰে জনসাধাৰণক বিশেষভাৱে উপকৃত হ'ব বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ভাৰত-আমেৰিকাৰ মাজৰ ব্যৱসায় এতিয়া অধিক সবল হৈ উঠিব বুলিও তেওঁ কয়।

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে এই বাণিজ্যিক চুক্তিয়ে পাৰস্পৰিক সমৃদ্ধিৰ ক্ষেত্ৰত একে মনোভাৱৰ দুখন বৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰৰ শক্তিক প্ৰতিফলিত কৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই চুক্তিক বিজয়সূচক বুলি অভিহিত কৰে। শান্তি আৰু উন্নয়নৰ ক্ষেত্ৰত কাম কৰাৰ বাবে ভাৰত আৰু আমেৰিকাৰ বিশাল সম্ভাৱনা আছে বুলিও মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে ভাৰত আৰু আমেৰিকা বিশ্বজনীন দায়িত্ববোধ আৰু অনুৰূপ মূল্যবোধ সম্পন্ন বিশ্বৰ প্ৰকৃত গণতন্ত্ৰ আৰু স্বভাৱগত সহযোগী ৰাষ্ট্ৰ। প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ নেতৃত্বত শক্তিশালী বিকাশৰ বাবে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰতৰ বুজাবুজি অব্যাহত আছে বুলি শ্ৰীৰিজিজুৱে লগতে মত প্ৰকাশ কৰে।

ooooo

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে নতুন দিল্লীত মুখ্য নিৰ্বাচন আয়ুক্তক সাক্ষাৎ কৰাৰ কাৰ্যক বিজেপিয়ে সমালোচনা কৰিছে। দলৰ ৰাজ্যিক সভাপতি শমিক ভট্টাচাৰ্যই এটা বাৰ্তাত কয়, যে ১২ খন ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ নিৰীক্ষণ প্ৰক্ৰিয়া চলি আছে আৰু এনেদৰে আন কোনো মুখ্যমন্ত্ৰীয়ে নিৰ্বাচন আয়ুক্তক সাক্ষাৎ কৰা নাই। মমতা বেনাৰ্জী শংকিত হৈ আছে বুলিও তেওঁ অভিযোগ কৰে। বিজেপিয়ে লগতে দিল্লী আৰক্ষীয়ে বংগভৱন ঘেৰাও কৰি ৰখা আৰু তেওঁলোকৰ পৰিধিৰ বাহিৰত অভিযান চলাই থকা বুলি মমতা বেনাৰ্জীয়ে তোলা অভিযোগো প্ৰত্যাখ্যান কৰে। দিল্লী আৰক্ষীয়ে নিৰ্ভৰযোগ্য তথ্যৰ ভিত্তিত ব্যৱস্থা গ্ৰহণ কৰা বুলি বিৰোধী নেতা সুভেন্দু অধিকাৰীয়ে কালি কলকাতাত সাংবাদিকৰ আগত প্ৰকাশ কৰে।

ooooo

ভাৰতীয় জনতা পাৰ্টিয়ে মণিপুৰৰ বিধায়িনী দলৰ নেতা বাছনিৰ নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তৰুণ চুগক নিযুক্তি দিছে। বিজেপিৰ সংসদীয় ব'ৰ্ডে এই নিযুক্তি প্ৰদান কৰে।

ooooo

পাকিস্তানৰ এটা আগশাৰীৰ মানৱ অধিকাৰ সংস্থাই প্ৰকাশ কৰা অনুসৰি, বেলুচিস্তানৰ নুস্কি জিলাৰ কেডেট কলেজৰ সমীপত পাকিস্তানৰ নিৰাপত্তা বাহিনীয়ে এখন যাত্ৰীবাহী বাহনত কৰা গুলীচালনাত কমেও ১০ জন সাধাৰণ নাগৰিকৰ মৃত্যু হৈছে। এই আক্ৰমণক গৰিহণা দি 'বেলুচ ভয়েচ ফৰ জাষ্টিছে' কয় যে, নিৰস্ত্ৰ সাধাৰণ নাগৰিকৰ ওপৰত এনে আক্ৰমণ বেআইনী আৰু মৌলিক মানৱ অধিকাৰৰ গুৰুতৰ উলংঘা। সংস্থাটোৱে লগতে কয় যে, পাকিস্তানী

সামৰিক অভিযানৰ অধীনত হিংসাত্মক পৰিস্থিতি বৃদ্ধি পোৱাৰ ফলত সমগ্ৰ বেলুচিস্তানৰ অসামৰিক জনসাধাৰণৰ মাজত এতিয়া ভয় আৰু নিৰাপত্তাহীনতাই বিৰাজ কৰিছে।

কালি বেলুচিস্তানৰ মানৱ অধিকাৰ পৰিষদে যোৱা বৰ্ষত বেলুচিস্তানত ৫৯৮টা হত্যাকাণ্ডৰ বিষয়টোতো আলোকপাত কৰে। অঞ্চলটোত সাধাৰণ নাগৰিকৰ বিৰুদ্ধে বৃদ্ধি পোৱা হিংসাত্মক পৰিস্থিতিৰ মাজতে পাকিস্তানী নিৰাপত্তা বাহিনীয়ে ইয়াৰে বেছিভাগ হত্যাকাণ্ড সংঘটিত কৰিছিল। পৰিষদে তথ্যত উল্লেখ কৰিছে যে, ৫৯৮টা নথিভুক্ত হত্যাকাণ্ডৰ ভিতৰত টাৰ্গেট বা লক্ষ্য কৰি হত্যা কৰাৰ ১৬৫টা গোচৰ, ১০৪টা জিম্মাত থাকোতে হত্যা আৰু ৬৬টা অস্পষ্ট বা ৰহস্যজনক পৰিস্থিতিত মৃতদেহ উদ্ধাৰৰ সৈতে জড়িত।

০০০০০

ভাৰতৰ নেশ্যনেল বুক ট্ৰাষ্ট চমুকৈ NBTয়ে গোৱা চৰকাৰ আৰু সমৰ্থ যুৱ ফাউণ্ডেশ্যনৰ সহযোগত এখন সংবাদমেলযোগে গোৱা গ্ৰন্থ মহোৎসৱ ২০২৬ অনুষ্ঠিত কৰাৰ আনুষ্ঠানিক ঘোষণা কৰিছে।

সংবাদমেলত এনবিটি ইণ্ডিয়াৰ সঞ্চালক শ্ৰীযুৱৰাজ মালিক আৰু লোকমান্য সাংস্কৃতিক ন্যাসৰ অধ্যক্ষ শ্ৰী কিৰণ ঠাকুৰে কাইলৈৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ কেম্পাল খেলপথাৰত আয়োজিত এই  মহোৎসৱৰ সন্দৰ্ভত বিতংভাৱে সদৰী কৰে।

মুখ্যমন্ত্ৰী ড০ প্ৰমোদ সাৱন্তে উদ্বোধন কৰিবলগীয়া এই অনুষ্ঠানত ১০০টা প্ৰকাশন গোষ্ঠীৰ ২০০ৰো অধিক বিপণীৰ সৈতে সাহিত্যৰ অনন্য প্ৰদৰ্শনৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। পঢ়ুৱৈসকলে কংকনী, মাৰাঠী, ইংৰাজীকে ধৰি একাধিক ভাষাৰ কিতাপত ১০% ৰেহাই লাভ কৰিব পাৰিব।

এই মহোৎসৱত শচীন পিলগাওকাৰ, মৃণাল কুলকাৰ্ণী, আচাৰ্য প্ৰশান্তৰ দৰে প্ৰখ্যাত ব্যক্তিত্বৰ সৈতে বিশেষ মত বিনিময় অনুষ্ঠানৰো আয়োজন কৰা হৈছে। বিনামূলীয়া প্ৰৱেশ, মাৰিঅ' মিৰাণ্ডালৈ সন্মান জনাই বিশেষ প্ৰদৰ্শনী তথা শিশুসকলৰ বাবে কৰ্মশালাকে ধৰি বিভিন্ন আয়োজনেৰে সাজু হোৱা এই মহোৎসৱৰ লক্ষ্য ৰাজ্যখনত গ্ৰন্থ অধ্যয়নৰ সংস্কৃতি গঢ়ি তোলা।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট জায়েণ্টছ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বদোদৰাৰ কটাম্বীৰ বি চি এ ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব। এই খেলখনত বিজয়ী দলটোৱে অহা বৃহস্পতিবাৰে হ'বলগীয়া ফাইনেল খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। স্মৃতি মান্ধানা নেতৃত্বাধীন আৰ চি বি মহিলা দলটোৱে ইতিমধ্যে লীগ পৰ্যায়ৰ শীৰ্ষস্থানত থাকি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে জেমিমা ৰুদ্ৰিগজৰ নেতৃত্বত দেলহী কেপিটেলছে যোৱা দেওবাৰে লীগ পৰ্যায়ৰ ফাইনেল খেলত ইউ পি ৱাৰিয়ৰ্জক ৫ উইকেটত পৰাস্ত কৰে।

০০০০০

ভাৰতৰ মহিলা ফুটবল দলটোৱে কালি তুৰ্কিয়েৰ আন্টালিয়াস্থিত এছ এণ্ড বি স্প'ৰ্ট ফুটবল খেলপথাৰত অনুষ্ঠিত এখন বন্ধুত্বপূৰ্ণ বা প্ৰীতি খেলত জাৰ্মান দল হাৰ্থা বি.এছ.চি ফ্ৰাউনক ১-০ গ'লত পৰাস্ত কৰে। ৩৭ মিনিটত গ্ৰেচ ডাংমেইয়ে নিৰ্ণায়ক গ'লটো কৰি ভাৰতৰ জয় নিশ্চিত কৰে।

অষ্ট্ৰেলিয়াত হ'বলগীয়া এ এফ চি মহিলা এছিয়ান কাপ ২০২৬ৰ প্ৰস্তুতিৰ অংশ হিচাপে ব্লু টাইগ্ৰেছৰূপে খ্যাত ভাৰতীয় দলটো সম্প্ৰতি আন্টালিয়াত আছে। দলটোৱে কাইলৈ ভাৰতীয় সময় অনুসৰি বিয়লি ৫.৩০ বজাৰ পৰা একেটা স্থানতে ৰাছিয়াৰ ঝেভজদা-২০০৫ পাৰ্মৰ

বিৰুদ্ধে আৰু শনিবাৰে ৰোমানিয়াৰ এফ.কে. চিক্সজেৰেদা মিয়েৰকুৰিয়াৰ বিৰুদ্ধে আন দুখন প্ৰীতি খেলত অংশ ল'ব।

ভাৰতে অহা ৪ মাৰ্চত পাৰ্থ ৰেক্টেংগুলাৰ ষ্টেডিয়ামত ভিয়েটনামৰ বিৰুদ্ধে এছিয়ান কাপৰ অভিযান আৰম্ভ কৰিব।

০০০০০

সমাপ্ত